**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-02-2025
**Time :** 0755 Hrs

## *Assamese Morning Bulletin*

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ পৰামৰ্শ অনুসৰি বাৰিষাৰ অতিৰিক্ত পানী জমা কৰি ৰখাৰ বাবে কাজিৰঙাত ১৫ টা জলাধাৰ নিৰ্মাণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত প্ৰস্তাৱ দাখিল কৰা হৈছে। জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই কালি অখিল গগৈৰ এটা প্ৰশ্নৰ উত্তৰত বিধানসভাত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে বান নিয়ন্ত্ৰণৰ বাবে চৰকাৰে অকল মথাউৰি নিৰ্মাণ, মেৰামতি কৰি থকাই নাই, আনুসংগিক ব্যৱস্থাও গ্ৰহণ কৰিছে। ইয়াৰে অংশ হিচাপে ১৫ টা জলাধাৰ নিৰ্মাণৰ বাবে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰায় ৬৫০ কোটি টকাৰ প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছে। পৰ্যায়ক্ৰমে এই জলাধাৰকেইটা নিৰ্মাণ কৰা হ'ব। শ্ৰী হাজৰিকাই কয়, যে বিগত সময়ছোৱাত গ্ৰহণ কৰা কাৰ্যকৰী ব্যৱস্থাৰ বাবে ধেমাজি, মৰিগাঁও লখিমপুৰ, মাজুলী আদিত বানৰ প্ৰকোপ ৭০ শতাংশ পৰ্যন্ত কম হৈছে। তেওঁ লগতে কয়, যে ৰাজ্যখনত ১৩০ খন নদী আছে আৰু এই নদীবোৰত প্ৰায় ৪ হাজাৰ ৫৩২ কিলোমিটাৰ দৈৰ্ঘ্যৰ মথাউৰি আছে। ২০১৬ চনৰ ১০ মে'ৰ পাছত ৰাজ্যত ৪৮ দশমিক ৮-০ কিলোমিটাৰ মথাউৰি নতুনকৈ নিৰ্মাণ কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ কয়, যে ৰাজ্যত আৰু প্ৰায় ৬৬২ কিলোমিটাৰ মথাউৰিৰ প্ৰয়োজন আছে আৰু ইয়াৰে ২২০ কিলোমিটাৰৰ নিৰ্মাণকাৰ্য ২০২৪-২৫ বিত্তীয় বৰ্ষত আৰম্ভ কৰা হৈছে। ২০২৪-২৫ বৰ্ষত ৮টা মথাউৰি বিভিন্ন অংশত চিগিছিল আৰু সেইবোৰ ইতিমধ্যে মেৰামতি কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০০

সমাগত এডভাণ্টেজ আছাম সন্মিলনৰ দ্বিতীয় পৰ্যায়ৰ প্ৰস্তুতিৰ বুজ লোৱাৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি খানাপাৰাৰ অসম পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰ পৰিদৰ্শন কৰে। পৰিদৰ্শনকালত মুখ্যমন্ত্ৰীয়ে বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকলৰ পৰা এই সন্মিলনৰ প্ৰস্তুতিৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে এই সন্মিলনৰ অংশ হিচাপে ২৪ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত হ'বলগীয়া ঝুমুৰ নৃত্যৰ সৰ্ববৃহৎ অনুষ্ঠান ঝুমুইৰ বিনন্দিনীৰ চূড়ান্ত প্ৰস্তুতি সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। ড০ শৰ্মাই এই অনুষ্ঠানত অংশগ্ৰহণকাৰীসকলৰ থকা-খোৱাৰ সুবিধাকে ধৰি সকলো দিশৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে বৈঠকত উপস্থিত থকা মন্ত্ৰীসকল আৰু চৰকাৰী বিষয়াসকলক দুয়োটা অনুষ্ঠান সফলতাৰে ৰূপায়ণ কৰাৰ বাবে প্ৰতিটো দিশ সূক্ষ্মভাৱে নিৰীক্ষণ কৰিবলৈ আহ্বান জনায়। তদুপৰি দুয়োটা অনুষ্ঠানত ৰাজ্যখনৰ বিনিয়োগৰ সুবিধা আৰু সাংস্কৃতিক ঐতিহ্যক সুন্দৰৰূপত প্ৰতিফলিত কৰিবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনাইছে। এই পৰিদৰ্শনকালত মুখ্যমন্ত্ৰীৰ সৈতে মন্ত্ৰী বিমল বৰা, কেশৱ মহন্ত, ৰাজ্যৰ মুখ্য সচিব ড০ ৰবি কোটা আৰু আৰক্ষী সঞ্চালকপ্ৰধান হৰমিত সিং উপস্থিত আছিল।

পৰ্যটন মন্ত্ৰী ৰণজিত কুমাৰ দাসে কালি এই সন্মিলনৰ পৰিপ্ৰেক্ষিতত গুৱাহাটীৰ ৩৭ খন হোটেলৰ পৰিচালন সঞ্চালক আৰু প্ৰবন্ধক সকলৰ সৈতে গুৰুত্বপূৰ্ণ আলোচনাত মিলিত হয়। মন্ত্ৰীগৰাকীয়ে এই শীৰ্ষ সন্মিলন সাফল্যমণ্ডিত কৰি তোলাৰ বাবে তেওঁলোকৰ সহযোগিতা কামনা কৰে। এই আলোচনাত অসম

পৰ্যটন উন্নয়ন নিগম লিমিটেডৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, উপাধ্যক্ষ দিলীপ কুমাৰ দাসকে ধৰি বিভাগটোৰ কেইবাগৰাকী বিষয়াই ভাগ লয়।

০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত কালি মিচিং জনগোষ্ঠীৰ কৃষিভিত্তিক উৎসৱ আলি-আঃয়ে-লৃগাং উপলক্ষে উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। অসমীয়া সমাজ জীৱনৰ সমন্বয়ৰ সেঁতু গঢ়ি মিচিং জনজাতীয় লোকসকলে ফাগুনৰ প্ৰথমটো বুধবাৰে এই উৎসৱ পালন কৰে। সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু সদৌ গুৱাহাটী মিচিং কেবাঙৰ সহযোগত কালি পাঞ্জাবাৰীৰ শিল্পগ্ৰামত আলি-আয়ে-লৃগাঙৰ কেন্দ্ৰীয় কাৰ্যসূচী অনুষ্ঠিত হয়।

লখিমপুৰ জিলাৰ ঘূণাসুঁতিত কেন্দ্ৰীয় আলি-আঃয়ে-লৃগাং উদযাপন সমিতিৰ উদ্যোগত দিনজোৰা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। জিলাখনৰ বৰিমৰি গাঁৱৰ মিচিং কলাকৃষ্টি বিকাশ কেন্দ্ৰত কালি দিনজোৰা কাৰ্যসূচীৰে এই উৎসৱ পালন কৰা হয়। মাজুলীতো মিচিং জনগোষ্ঠীৰ লোকসকলে পৰম্পৰা বজাই ৰাখি উৎসাহ-উদ্দীপনাৰে শস্যৰ বীজ সিঁচি এই উৎসৱৰ শুভাৰম্ভ কৰে। যোৰহাট জিলাৰ বাঘচোং আলিত কালি এই উৎসৱৰ সৈতে সংগতি ৰাখি সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হয়। মিচিং জনগোষ্ঠীৰ পৰম্পৰাগত উৎসৱ আলি-আঃয়ে-লৃগাং উপলক্ষে শিৱসাগৰ জিলাৰ দিচাংমুখৰ লগতে জনগোষ্ঠীটোৰ বসতিপ্ৰধান অঞ্চলসমূহত উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰে।

০০০০০০

উমৰাংছ'ৰ তিন কিলো কয়লা খনিত যোৱা মাহত সংঘটিত শোকাৱহ দুৰ্ঘটনাত নিহত আৰু পাঁচজন শ্ৰমিকৰ গলিত মৃতদেহ কালি দুৰ্ঘটনাস্থলীৰ পৰা উদ্ধাৰ কৰা হয়। আমাৰ হাফলঙৰ সংবাদদাতাই জনোৱা মতে যোৱা ৬ জানুৱাৰীত এন্দুৰৰ গাঁত সদৃশ খনিটোৰ আভ্যন্তৰলৈ পানী সোমোৱাৰ ফলত তাত কাম কৰি থকা কমেও ৯ জন শ্ৰমিক আবদ্ধ হৈ পৰে। তেওঁলোকক জীৱন্তে উদ্ধাৰৰ বাবে চলোৱা সকলো প্ৰচেষ্টা ব্যৰ্থ হয়। পৰৱৰ্তী কালত চাৰিজন শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ কৰা হৈছিল। ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী আৰু সেনাবাহিনীৰ উদ্ধাৰকাৰী দলে যোৱা ৪৩ দিন অঞ্চলটোৰ পৰা মৃতদেহ উদ্ধাৰৰ বাবে অহৰহ অভিযান চলাই আছিল আৰু কালি পাঁচজন শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ কৰা হয়। মৃতদেহকেইটা এতিয়াও চিনাক্ত কৰিব পৰা হোৱা নাই আৰু অত্যাধুনিক পৰীক্ষাৰ দ্বাৰাহে মৃতদেহ চিনাক্ত কৰিব পৰা যাব বুলি আমাৰ সংবাদদাতাই জনাইছে।

০০০০০০

নগাঁও আৰক্ষীৰ এটা দলে যোৱা নিশা গঁড়ৰ চোৰাং চিকাৰত অভিযুক্ত এজন লোকক কৰায়ত্ব কৰে। লোকজন আব্দুৰ ৰফিক ওৰফে ৰফিক আলী বুলি আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰিছে। গোপন সূত্ৰৰ পম খেদি আৰক্ষীয়ে চলোৱা অভিযানত কৰায়ত্ব কৰা লোকজনক সোধা-পোছা কৰি থকা হৈছে।

০০০০০০

সমাপ্ত